জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৬৬/২০২০

**বৰপেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# পূৰ্বৰ চৰকাৰৰ দিনত কাৰ্যালয় ভৱনসমূহৰ জৰাজীৰ্ণ অৱস্থাই কৰ্ম সংস্কৃতিৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছিল ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বৰপেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰি ৰাইজৰ সেৱাত উৎসৰ্গিত কৰে। ২.৭৬ কোটি টকা ব্যয়ৰে আধুনিক সা-সুবিধা উপলব্ধ এই কাৰ্যালয় ভৱনে বৰপেটা চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ দিশত সহায় কৰিব।

এই উপলক্ষে নৱনিৰ্মিত কাৰ্যালয়ৰ চৌহদত বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰু দুজনাৰ আধ্যাত্মিক, সাংস্কৃতিক শক্তিৰে পৰিপুষ্ট বৰপেটাবাসীয়ে অতীজৰে পৰা বৃহত্তৰ অসমক বৌদ্ধিক, আধ্যাত্মিক, সাংস্কৃতিক, বিদ্যায়তনিক দিশত পথ প্ৰদৰ্শন কৰি আহিছে। আগন্তুক দিনটো এই মহাস্থানৰ আধ্যাত্মিক শক্তিৰে পৰিপুষ্ট সমাজখনে অসমৰ নৱ প্ৰজন্মক আগুৱাই যোৱাৰ পথ প্ৰদৰ্শন কৰিব পাৰিব। পূৰ্বৰ চৰকাৰৰ দিনত কাৰ্যালয় ভৱনসমূহৰ জৰাজীৰ্ণ অৱস্থাই কৰ্ম সংস্কৃতিৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছিল বুলি উল্লেখ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ২০১৬ চনত শাসনভাৰ লোৱাৰে পৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা মৈত্ৰী আঁচনিৰে থানাসমূহ আধুনিকীকৰণৰ দৰে লোৱা পদক্ষেপৰে কাৰ্যালয়সমূহত এক ইতিবাচক পৰিৱেশৰ সৃষ্টিৰে জনসাধাৰণলৈ সময় সাপেক্ষ তথা দায়বদ্ধ সেৱা আগবঢ়োৱাৰ বাবে দৃঢ়তাৰে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৃহত্তৰ অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা ৩ কোটি ৫০ লাখ জনসাধাৰণক অহৰ্নিশে সেৱা আগবঢ়োৱাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে দৃঢ়তাৰে পদক্ষেপ লৈ আছে বুলিও তেওঁ কয়। একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ এই প্ৰতিযোগিতামুখী বাতাবৰণৰ সৈতে খাপ খোৱাকৈ জনসাধাৰণক উপযুক্ত সেৱা প্ৰদানৰ বাবে কাৰ্যালয়সমূহৰ আন্তঃগাঁথনি শক্তিশালীকৰণ, ৰাস্তা-পদূলি উন্নত কৰা, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিয়া, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণ, স্বচ্ছ ভাৰত অভিযানৰ অধীনত শৌচাগাৰ নিৰ্মাণকে ধৰি নৱপ্ৰজন্মৰ শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধিৰ বাবে বৰ্তমানৰ চৰকাৰখনে উচ্চ শিক্ষাৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিছে বুলিও তেওঁ কয়। বৰ্তমানৰ চৰকাৰখনে জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিতকৰণৰ বাবে দিনে-নিশাই নিকা মানসিকতাৰে কাম কৰিছে বুলি উল্লেখ কৰি অসমীয়া জাতিৰ মান-সন্মান, স্বাভিমান সুৰক্ষিতকৰণৰ কাৰণে ভৱিষ্যতেও শক্তিশালী পদক্ষেপ লৈ যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে আজি উদ্বোধন কৰা কাৰ্যালয় ভৱনটোৰে জনসাধাৰণক মান সম্পন্ন সেৱা প্ৰদান কৰিব পাৰিব বুলিও আশা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাস, অসম পৰ্যটন উন্নয়ন নিমগৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মা, আৰক্ষী অধীক্ষক ৰবীন কুমাৰ সিঙকে ধৰি বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ-উপাধ্যক্ষ তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বঃভাঃ**
**১৭/১১/২০২০**